بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খায়বৰৰ আৰু জাতুৰ ৰিকাআ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১১ এপ্ৰিল ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسْمِ اللهِ الرَّحْمَٰنِ الرَّحِيمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, খায়বৰৰ যুদ্ধৰ পিছত কিছু ঘটনাৱলী বৰ্ণনা হৈ আছে। য'ত তাইমাৰ বাসিন্দা সকলৰ শান্তিৰ স্থাপনৰ ঘটনাও আছে। তাইমা মদিনাৰ পৰা ছিৰিয়াৰ বাটত এখন বিখ্যাত চহৰ আছিল। তাইমাৰ বাসিন্দা সকলে নিজেই আঁহজৰত (ছাঃ)ৰ সেৱাত শান্তি স্থাপনৰ বাবে প্ৰস্তাৱ আগবঢ়ায়; যিটো আঁহজৰত (ছাঃ)য়ে মানি লৈছিল আৰু তাইমাৰ ইহুদী সকলক নিজৰ সম্পত্তিৰ সৈতে নিজৰ অঞ্চলত থাকিবলৈ অনুমতি দিছিল। এই উপলক্ষে ফজৰৰ নামাজ পলন হোৱাৰ কথাও উল্লেখ পোৱা যায়। ইয়াৰ বিস্তাৰিত বিৱৰণ এনেকুৱা যে আঁহজৰত (ছাঃ)য়ে নিজৰ চাহাব সকলৰ সৈতে খায়বৰৰ যুদ্ধৰ পৰা উভতি অহা সময়ত গোটেই ৰাতি খোজ কাঢ়ি আহিছিল। যেতিয়া তেখেত (ছাঃ)ৰ টোপনি ধৰিলে তেতিয়া মদিনাত জিৰণি লোৱাৰ বাবে শিবিৰ পাতে আৰু হজৰত বিলাল (ৰাঃ)ক কলে যে আজি ৰাতি তুমি আমাক নামাজৰ সময়ত জগাই তুলিবা। হজৰত বিলাল (ৰাঃ)য়ে পহৰা দি থাকোতে নফল নামাজ পঢ়ি থাকিল, আঁহজৰত (ছাঃ) আৰু চাহাবা সকলে টোপনি মাৰি থাকিল। ফজৰৰ সময় যেতিয়া ওচৰ চাপি আহিছিল তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে আৰোহীৰ সহায় লয়, তেতিয়া তেওঁৰ ওপৰত টোপনি প্ৰাধান্য পায়। ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলৰ মাজৰ কোনেও সাৰ নাপালে; হজৰত বিলাল (ৰাঃ)য়েও টোপনিৰ পৰা সাৰ নাপালে

ইমানে যে তেওঁলোকৰ ওপৰত ৰ'দ আহি পৰিল। ৰছুলুল্লাহ (ছাঃ)য়ে পোনপ্ৰথমে সাৰ পাই চিন্তিত হৈ পৰিল তাৰ পিছত তেখেত (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক পহৰাৰ বিস্তাৰিত বিৰৰণ সুধিলে। তাৰ পিছত তেখেত (ছাঃ)য়ে তাৰ পৰা আগবাঢ়ি যাবলৈ নিৰ্দেশ দিয়ে; কিছু দূৰ আগবাঢ়ি গৈ ৰছুলে কৰিম (ছাঃ)য়ে অজু কৰি ফজৰৰ নামাজ বা-জামাত পঢ়ায়। হুজুৰ (ছাঃ)য়ে কৈছে যে যিজন ব্যক্তি নামাজ পাহৰি যায় তেওঁৰ উচিত যে যেতিয়া মনত পৰে তেতিয়া নামাজ পঢ়ি ল'ব; কাৰণ আল্লাহ তা'লাই কৈছে যে নামাজ মোক স্মৰণ কৰাৰ বাবে প্ৰতিষ্ঠা কৰা।

হজৰত আবু মুছা আশ্বআৰী (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মদিনালৈ উভতি অহাৰ সময়ত লোকসকলে উচ্চস্বৰে তকবিৰ ক'ব ধৰিলে তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে নিজৰ মাত মৃদু কৰা, তোমালোকে কোনো বধিৰ বা অনুপস্থিত সকলক মাতি থকা নাই।

সৰ্বশক্তিমান খোদাৰ আশীৰ্বাদ আৰু কৃতিত্বক সামৰি লোৱা মহৰমৰ ৭ হিজৰী তাৰিখৰ পৰা আৰম্ভ হোৱা মুছলমান সকলৰ এই যাত্ৰা ৰৱিউল আউৱালৰ আৰম্ভণিতে আছফৰৰ শেষত সম্পূৰ্ণ হৈছিল।

মুছলমান সকলৰ সপক্ষে খায়বৰ বিজয়ৰ বহুত প্ৰভাৱ পৰিছিল; তাৰ মাজত এটা প্ৰধান প্ৰভাৱ আছিল যে আৰবৰ চৌদিশে বহু জনগোষ্ঠী যিসকলে মুছলমানৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ ইচ্ছা কৰিছিল তেওঁলোকে ভয় পাইছিল। কেইবাটাও জনগোষ্ঠীয়ে শান্তি স্থাপনৰ বাবে হাত আগবঢ়ায়, কিছুমানে আনুগত্য স্বীকাৰ কৰাটোৱে উত্তম বুলি ভাৱিলে। খয়বৰ বিজয়ৰ এটা ডাঙৰ প্ৰভাৱ এইটো আছিল যে আৰব উপদ্বীপত ইহুদী সকলৰ ক্ষমতাৰ অন্ত পৰিছিল। তাৰ পিছত এই বিজয়ে মদিনাৰ মুছলমান সকলৰ অৰ্থনীতিত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাইছিল। হজৰত আয়শা (ৰাঃ) লগতে আৰু বহু চাহাবা সকলে বৰ্ণনা কৰিছে যে খায়বৰ বিজয় হোৱাৰ পিছত আমাৰ পেট ভৰি খাদ্য খোৱাৰ সৌভাগ্য লাভ হৈছিল।

ইয়াৰ পিছত জাতুৰ ৰিকাআ যুদ্ধৰ উল্লেখ পোৱা যায়। এই যুদ্ধৰ নামাকৰণৰ কাৰণ হ'ল যে এই অঞ্চলত এটা গছ বা পৰ্বত আছিল সেই নামেৰে এই যুদ্ধৰ নাম পৰিল; আৰু এটা কাৰণ বৰ্ণনা কৰা হৈছে যে এই যুদ্ধত চাহাবা সকলৰ ওচৰত আৰোহী বহুত কম আছিল। যাত্ৰাৰ তীব্ৰতা আৰু শিলাময় ভূমিত খোজকঢ়াৰ বাবে চাহাবা সকলৰ ভৰি ক্ষত হৈ গৈছিল। তেওঁলোকে ফটা-পুৰণা কাপোৰেৰে সেই ঘাঁ বান্ধিছিল; কাপোৰৰ পট্টিক ৰিকাআ কোৱা হয় সেই কাৰণে এই যুদ্ধৰ নাম এইটোৱেই ৰখা হৈছিল।

এই যুদ্ধৰ তাৰিখৰ ক্ষেত্ৰত ইতিহাসত মতানৈক্য আছে। ইতিহাসৰ কিতাপ আৰু ছিৰাতত এই যুদ্ধৰ তাৰিখ ৪ বা ৫ হিজৰী বুলি উল্লেখ আছে। আনহাতে ইমাম বুখাৰীয়ে খায়বাৰৰ যুদ্ধৰ পিছত শক্তিশালী সাক্ষীৰ ভিত্তিত ইয়াক ৭ হিজৰী বুলি সাব্যস্ত কৰিছে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়েও এই যুদ্ধক খায়বৰৰ যুদ্ধৰ পিছত ৭ হিজৰীত হোৱা বুলি কৈছে। এই যুদ্ধৰ কাৰণ এইটো আছিল যে নাজদ অঞ্চলত কিছুমান ডাকু আৰু ডকাইতে যাত্ৰীসকলক হাৰাশাস্তি কৰিছিল, তেওঁলোকক নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰিছিল। এই যুদ্ধৰ আৰু এটা কাৰণ এইটো বৰ্ণনা কৰা হয় যে এজন বণিক মদিনালৈ আহিছিল, তেওঁৰ দ্বাৰা মদিনাবাসীয়ে এই সংবাদ পায় যে ছাআলবাৰ বাসিন্দা আৰু আন আন জনগোষ্ঠীয়ে মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰিকল্পনা কৰি আছে, ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া এই সংবাদ পায় তেতিয়া তেখেত (ছাঃ)য়ে এই অভিযান কৰাৰ সিদ্ধান্ত লয়; তেখেত (ছাঃ)য়ে মদিনাৰ পৰা চাৰি শ, সাত শ বা আঠ শ চাহাবা সকলৰ সৈতে এই যুদ্ধৰ বাবে ৰাওনা হয়।

এই যুদ্ধত চালাতুল খাউফ পঢ়াৰো বৰ্ণনা উল্লেখ পোৱা যায়। হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে নাখলৰ পৰা জাতুৰ ৰিকাআলৈ যায় আৰু তাতে গুতফান সেনা বাহিনীৰ সন্মুখীন হয় কিন্তু কোনো যুদ্ধ হোৱা নাছিল। মুখামুখী হোৱাত আক্ৰমণৰ আশংকা দেখা দিছিল, সেই সময়ত যেতিয়া নামাজৰ সময় হৈছিল। তেখেত (ছাঃ)য়ে চালাতুল খাউফ (ভীতিৰ সৈতে নামাজ) পঢ়িলে। এনেকুৱা নামাজ য'ত আধা লোকসকলে নামাজ পঢ়ি পিছুৱাই গৈছিল তাৰ পিছত তেখেত (ছাঃ)ৰ সৈতে বাকী থকা আধা লোক আহি নামাজ পঢ়িছিল; এই নামাজৰ কথা ছুৰা নিছাত বৰ্ণনা হৈছে যে এনেকুৱা ভীতি অৱস্থাত কেনেকৈ নামাজ পঢ়িব পাৰে। শ্বাৰাহ আল্লামা বুখাৰী বদৰ উদ্দিন আয়নিয়ে লিখিছে যে ছালাতুল খাউফৰ সন্দৰ্ভত এইটো মতানৈক্য আছে যে প্ৰথমবাৰ কোনটো বছৰত এই সন্দৰ্ভত নিৰ্দেশ হৈছিল। অধিকাংশ উলেমা সকলে কয় যে জাতুৰ ৰিকাআ যুদ্ধত এই নামাজ প্ৰথমে পঢ়া হৈছিল; কিন্তু ইয়াৰ আদেশ কেতিয়া অৱতীৰ্ণ হৈছিল এই বিষয়ে উলেমা সকলৰ মাজত মতানৈক্য আছে, কোনোবাই এই আদেশ ৪, কোনোবাই ৫, কোনোবাই ৬ আৰু কোনোবাই ৭ হিজৰী বুলি কৈছে। পোন্ধৰ দিনৰ এই অভিযানৰ পিছত তেখেত (ছাঃ)য়ে মদিনাৰ ফালে উভতি যোৱাৰ বাবে ৰাওনা হয়।

এই যুদ্ধক অলৌকিক যুদ্ধ বুলি কোৱা হৈছে। তেখেত (ছাঃ)ৰ ওপৰত এজন শত্ৰুৰ ফালৰ পৰা তৰোৱাল ধাৰণ কৰাৰ ঘটনাও এই যুদ্ধৰ সময়ত সংঘটিত হৈছিল।

এই যুদ্ধৰ সময়ত এটা পক্ষীৰ ঘটনাও উল্লেখ পোৱা যায়, যাৰ বিৱৰণ এনেদৰে যে এই যুদ্ধৰ সময়ত চাহাবা সকলৰ মাজৰ এজন চাহাবা আঁহজৰত (ছাঃ)ৰ সন্মুখত এটা পক্ষীৰ পোৱালী লৈ আহি উপস্থিত হয়। আঁহজৰত (ছাঃ)য়ে তেওঁৰ ফালে চাই আছিল, এনে অৱস্থাতে সেই পক্ষীৰ মাতৃ বা পিতৃৰ কোনোটোৱে সেই চাহাবা জনৰ সন্মুখত নিজকে উপস্থাপন কৰে। লোকসকলে এই দৃশ্য আশ্চৰ্য হৈ চাই আছিল। আঁহজৰত (ছাঃ)য়ে এই দৃশ্য চাই কলে যে তোমালোকে এই পক্ষীৰ বিষয়ে আশ্চৰ্য হৈছা। তুমি এই পক্ষীৰ পোৱালীক ধৰি লৈছা আৰু এই পক্ষীয়ে নিজৰ পোৱালীক স্বাধীন কৰাৰ বাবে নিজেক উপস্থাপন কৰি আছে। আল্লাহৰ শপত ! তোমালোকৰ প্ৰভুৱে এই চৰাইৰ পোৱালীৰ ওপৰত যিমান দয়া কৰে তাতোকৈ অধিক দয়া তোমালোকৰ প্ৰভুৱে তোমালোকৰ সৈতে কৰে।

এইদৰে এই যুদ্ধ চলাকালীন অৱস্থাত এজন উন্মাদ শিশুৰ আৰোগ্য লাভ কৰাৰ ঘটনা বৰ্ণনা কৰা হৈছে। এগৰাকী গাঁৱলীয়া মহিলা আঁহজৰত (ছাঃ)ৰ ওচৰত আহি কয় এইজন মোৰ ল'ৰা; তেওঁৰ মাজত উন্মাদনাৰ লক্ষণ দেখা গ'ল। আঁহজৰত (ছাঃ)য়ে নিজৰ মুখৰ পৰা লালী সেই শিশুৰ মুখৰ ভিতৰত সোমাই দি তিনিবাৰকৈ কয় যে হে আল্লাহৰ শত্ৰু ! ইয়াৰ পৰা আঁতৰ হৈ যোৱা, মই আল্লাহৰ ৰছুল হওঁ। তাৰ পিছত নিৰ্দেশ দিয়ে যে এই শিশুক লৈ যোৱা আৰু কয় যে ইয়াৰ পিছত তেওঁৰ এই লক্ষণ কেতিয়াও দেখা নিদিব।

হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণিত যে এই যুদ্ধৰ সময়ত আলবা বিন জায়েদ হাৰছিয়ে আঁহজৰত (ছাঃ)ৰ সন্মুখত তিনিটা কণী লৈ আহে। আঁহজৰত (ছাঃ)য়ে কয় যে হে জাবিৰ! এই কণীবোৰ লৈ লোৱা আৰু ৰন্ধা। জাবিৰ (ৰাঃ)য়ে কয় যে মই সেই কণী ৰান্ধিলো তাৰ পিছত ৰুটি বিচাৰিলো কিন্তু নাপালো। ইয়াৰ পিছত আঁহজৰত (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলে বিনা ৰুটি সেই কণী খাব ধৰিলে, ইমানে যে সিহঁতৰ পেট ভৰি যায়; কিন্তু পিয়লাত সেই কণীবোৰ আগৰ দৰেই আছিল। ইয়াৰ পিছত

চাহাব সকলৰ মাজৰ বহুতে তাৰ পৰা খায়, ইয়াৰ পিছত আমি পুনৰায় ৰাওনা হওঁ।
সেই যাত্ৰাৰ সময়ত এটা উট দ্ৰুত গতিৰে হুজুৰ (ছাঃ)ৰ ওচৰত আহিলে আৰু সেই উটটোৱে হুমুনিয়া কাঢ়িব ধৰিলে। আঁহজৰত (ছাঃ)য়ে কলে যে তোমালোকে জানানে যে সেই উটটোৱে কি কৈ আছে? এইটোৱে নিজৰ মালিকৰ অভিযোগ কৰি আছে যে এইটোৰ মালিকে কেইবা বছৰ ধৰি ইয়াৰ দ্বাৰা সেৱা লৈ আছিল এতিয়া তেওঁৰ মালিকে ইয়াক জবাহ কৰাৰ ইচ্ছা কৰিছে। তেখেত (ছাঃ)য়ে সেই উটটো মালিকৰ পৰা ক্ৰয় কৰি হাবিত চৰোৱাৰ বাবে এৰি দিলে।

এই যুদ্ধত হজৰত জাবিৰ (ৰাঃ)ৰ উট হেৰাই গৈছিল। তেখেত (ৰাঃ)য়ে কৈছে যে এটা অন্ধকাৰ ৰাতিত মোৰ উট হেৰাই যায়। সেইটো সন্ধান কৰি থাকোতে হুজুৰ (ছাঃ)ৰ কাষেদি গৈ আছিলো, মই তেখেত (ছাঃ)ক এই ঘটনা বিতংভাৱে কলো যে মোৰ উট হেৰাই গৈছে তেতিয়া তেখেত (ছাঃ)য়ে কলে যে তোমাৰ উট অমুক ঠাইত আছে, যোৱা সেইটো সেই ঠাইৰ পৰা লৈ লোৱা। জাবিৰ (ৰাঃ)য়ে কয় যে মই তাতে গলো কিন্তু মই তাতে উট নাপালো, মই উভতি আহিলো তেখেত (ছাঃ)য়ে পুনৰায় তালৈ যোৱাৰ নিৰ্দেশ দিয়ে। মই পুনৰায় তালৈ গলো কিন্তু উট নাপালো। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে দয়া কৰি মোৰ সৈতে তালৈ যায়, ইমানতেই যে আমি উটটো পাই গলো তাৰ পিছত তেখেত (ছাঃ)য়ে উটটো ধৰি দিলে। সেয়েহে এই যুদ্ধত কেইবাটাও অলৌকিক ঘটনাৰ উল্লেখ পোৱা যায়, উদাহৰণস্বৰূপ এই যুদ্ধত হজৰত জাবিৰ (ৰাঃ)ৰ এটা উট লেহেমীয়া হৈ পৰিছিল। ৰছুলে কৰিম (ছাঃ)য়ে কিছু পানী লৈ সেই পানীৰ ওপৰত ফু মাৰিলে, আৰু সেই পানী সেই উটটোৰ কঁকাল, মূৰ আৰু পিঠিৰ ওপৰত ছটিয়াই দিলে, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে লাঠীৰ দ্বাৰা সেই উটক সামান্য পৰিমাণে আঘাত কৰে যাৰ ফলত সেই উটটোৱে দ্ৰুত গতিত আগবাঢ়ি গ'ল।

এইদৰে এই যুদ্ধৰ সময়ত এটা পাত্ৰত পানী বৃদ্ধি হোৱাৰ আৰু অলৌকিক ঘটনাৰ কল্যাণৰ উল্লেখ পোৱা যায়।
নবী কৰিম (ছাঃ)ৰ এই ধৰণৰ অলৌকিকতা সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, এই পৰ্যায়ৰ সাক্ষাতত কেতিয়াবা মানুহৰ দ্বাৰা এনেকুৱা ঘটনা সংঘটিত হয় যে সেয়া মানৱ শক্তিতকৈ ডাঙৰ যেন লাগে আৰু ঐশ্বৰিক শক্তিৰ ৰূপ নিজৰ মাজত ধাৰণ কৰে; যিদৰে আমাৰ মাউলা ছৈয়দ ৰছুল হজৰত খাতামান নাবিঈন (ছাঃ)য়ে বদৰৰ যুদ্ধত এমুঠি শিলগুটি কাফিৰৰ ফালে দলিয়াই দিছিল। সেই এমুঠি শিলগুটি কোনো দোৱাৰ জৰিয়তে দলিয়াই দিয়া নাছিল বৰঞ্চ নিজেই নিজৰ আধ্যাত্মিক শক্তিৰ বলত দলিয়াইছিল। কিন্তু সেই এমুঠি শিলগুটিৰে এনেকুৱা ঐশ্বৰিক ক্ষমতা দেখুৱালে যে সেইবোৰে বিৰোধী দলবোৰৰ ওপৰত অদ্ভুত প্ৰভাৱ পেলালে যে তাৰ মাজত এনে কোনেও নাছিল যাৰ চকুলৈ ইয়াৰ প্ৰভাৱ হোৱা নাছিল; ইয়াৰ পিছত তেওঁলোক সকলোৱে অন্ধৰ নিচিনা হৈ যায় আৰু তেওঁলোকৰ মাজত এনেকুৱা অস্থিৰতা সৃষ্টি হ'ল যে তেওঁলোক মাতালৰ নিচিনা হৈ পলায়ন কৰিব ধৰিলে। এই অলৌকিকতাৰ ফালে আল্লাহ তা'লাই এই আয়াতত ইংগিত কৰি কৈছে **ওৱা মা ৰামায়তা ইজ ৰামায়তা ওৱা লাকিনাল্লাহু ৰামা** অৰ্থাৎ যেতিয়া তুমি সেই এমুঠি (শিলগুটি) দলিয়াইছা সেয়া তুমি দলিয়াই দিয়া নাই খোদা তা'লাই দলিয়াই দিছে। অৰ্থাৎ ঐশ্বৰিক শক্তি পৰ্দাৰ আঁৰত কাম কৰিছিল। এয়া মানৱ শক্তিৰ কাম নাছিল।

এনেদৰে আঁহজৰত (ছাঃ)ৰ চন্দ্ৰ টুকুৰা হৈ যোৱাৰ অলৌকিকতাৰ ঘটনা সংঘটিত হয় সেয়াও ঐশ্বৰিক শক্তিৰে প্ৰকাশ পাইছিল; কোনো দোৱা ইয়াৰ সৈতে জড়িত নাছিল; ই কেৱল আঙুলিৰ ইংগিতেৰে ঘটিছিল যিটো ঐশ্বৰিক শক্তিৰে পৰিপূৰ্ণ আছিল। এনে ধৰণৰ আন বহুতো অলৌকিকতা আছে যিবোৰ নবী কৰিম (ছাঃ)য়ে ব্যক্তিগত শক্তি হিচাপেহে দেখুৱাইছিল যাৰ লগত কোনো দোৱা নাছিল। কেইবাবাৰ অকণমান পানী যি পিয়লাত আছিল নিজৰ আঙুলি সেই পানীত প্ৰৱেশ কৰাত ইমানে বৃদ্ধি পাইছিল যে সকলোবোৰ সেনা, উট আৰু ঘোঁৰাই সেই পানী পান কৰিছিল তাৰ পিছতো সেই পানী সিমানেই ৰৈ গৈছিল। বহু সময়ত দুটা চাৰিটা ৰুটিত হাত স্পৰ্শ কৰাতেই হাজাৰ মানুহৰ ভোক পিয়াহ নিবাৰণ হৈ প্লাৱিত হৈছিল আৰু পেট ভৰি গৈছিল। কেতিয়াবা অকণমান গাখীৰত নিজৰ লালীৰ দ্বাৰা কল্যাণ বৰ্ষিত কৰোৱাই এক বিশাল জামাতৰ পেট ভৰাই দিছিল। কেতিয়াবা কোঁৱাৰ নিমকীয়া পানীত নিজৰ মুখৰ লালী সোমাই দি সেই পানী মিঠা বনাই দিছিল। কেতিয়াবা গুৰুতৰভাৱে আহত সকলৰ ওপৰত নিজৰ হাত স্পৰ্শ কৰাতেই সুস্থ হৈ পৰিছিল। কেতিয়াবা যুদ্ধৰ কোনো এটা আঘাতৰ ফলত চকু বাহিৰলৈ ওলাই আহিছিল সেয়া নিজৰ হাতৰ আশীৰ্বাদেৰে সুস্থ কৰি তুলিছিল। এনেদৰে নিজৰ ব্যক্তিগত ক্ষমতাৰে বহু কাম কৰিছিল যাৰ সৈতে এটা লুকাই থকা ঐশ্বৰিক শক্তি মিলিত আছিল। আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ওৱা আলে মুহাম্মদ ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 11 APRIL 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB